জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ১৬৪/২০২২**

<u>মহানগৰীৰ বিভিন্ন স্থান পৰিদৰ্শন কৰিলে মুখ্যমন্ত্ৰীয়ে</u>

# মহানগৰীৰ যিবোৰ পথত ষ্ট্ৰীট লাইটৰ ব্যৱস্থা নাই, সেই পথসমূহত অতিশীঘ্ৰে ষ্ট্ৰীট লাইটৰ ব্যৱস্থা কৰা হ'ব ঃ মুখ্যমন্ত্ৰী

## নিৰ্মাণৰত উৰণ সেঁতুসমূহ সময় নিৰ্দ্ধাৰিতভাৱে সম্পূৰ্ণ হৈ উঠিব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ৫ জুন ঃ** গুৱাহাটী মহানগৰীৰ সমস্যাৰাজি বিশেষকৈ ষ্ট্ৰীট লাইটৰ শেহতীয়া অৱস্থাৰ বুজ লোৱাৰ উদ্দেশ্যেৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি সন্ধিয়া খানাপাৰা, লখৰা, জালুকবাৰী, আদাবাৰী, মালিগাঁও, ভৰলুমুখ, চানমাৰি, বামুণীমৈদাম, নুনমাটি, নাৰেংগী, ভি আই পি ৰোড, ছয়মাইল, গণেশগুৰি, উলুবাৰী তথা ৰাধা গোবিন্দ বৰুৱা পথৰ বিভিন্ন স্থান পৰিদৰ্শন কৰে। পৰিদৰ্শনকালত মুখ্যমন্ত্ৰীয়ে বিভিন্ন পথত থকা ষ্ট্ৰীট লাইটৰ বিষয়টো বুজ লয়।

মুখ্যমন্ত্ৰীয়ে কয় যে মহানগৰীৰ যিবোৰ পথত ষ্ট্ৰীট লাইট নাই, সেই পথসমূহত অতিশীঘ্ৰে ষ্ট্ৰীট লাইটৰ ব্যৱস্থা কৰা হ'ব। তেওঁ লগতে কয় যে মহানগৰীত চলি থকা উৰণ সেঁতুসমূহ সময়মতে নিৰ্মাণ হৈ উঠিব। মালিগাঁৱত নিৰ্মীয়মান উৰণ সেঁতুখন ২০২৩ চনৰ দুৰ্গা পূজাৰ আগত সম্পূৰ্ণ হৈ উঠিব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে জু-ৰোডত নিৰ্মীয়মান উৰণ সেঁতুখন ২০২৪ চনৰ বিহুৰ আগত জনগণৰ সেৱাৰ বাবে মুকলি কৰা হ'ব। তেওঁ লগতে কয় যে চেৰাবভাটিত নিৰ্মীয়মান উৰণ সেঁতুখন চলিত বৰ্ষৰ দুৰ্গা পূজাৰ আগত সম্পূৰ্ণ হৈ উঠিব।

আজিৰ এই পৰিদৰ্শনৰ সময়ত গুৱাহাটী উন্নয়ন বিভাগৰ মন্ত্ৰী অশোক সিংহল, গুৱাহাটী পৌৰ নিগমৰ মেয়ৰ মৃগেণ শৰণীয়াও উপস্থিত থাকে।

সুঃদঃ / পুঃডেঃ
**৫/০৬/২০২২**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in